NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি বিয়লি ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্টৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে নতুন দিল্লীৰ পৰা নাদিলৈ ৰাওনা হ'ব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ছণ্ডীগড়ৰ মণিমাজৰাত সপ্তাহৰ আটাইকেইদিন ২৪ ঘণ্টাই কাৰ্যক্ষম হোৱাকৈ পানী যোগানৰ এটা পাইলট প্ৰকল্প উদ্বোধন কৰে।

৩। মধ্যপ্ৰদেশৰ সাগৰ জিলাত আজি পুৰা এটা মন্দিৰৰ বেৰ খহি পৰাৰ ফলত ৯ টি শিশুৰ মৃত্যু হোৱাৰ লগতে আন বহুকেইজন লোক আহত হয়।

৪। ভাৰতীয় পুৰুষ হকী দলটোৱে পেৰিছ অলিম্পিকৰ কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটেইনক ৪-২ গলত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আজি শ্ৰীলংকাই ভাৰতক জয়ৰ বাবে ২৪১ ৰাণৰ বিজয়লক্ষ্য বান্ধি দিছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি বিয়লি ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্টৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে নতুন দিল্লীৰ পৰা নাদিলৈ ৰাওনা হ'ব।

ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফিজিৰ ৰাজধানী ছুৱাত দ্বিপাক্ষিক আলোচনাত মিলিত হব। ৰাষ্ট্ৰপতিয়ে ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে সমূহীয়া মত বিনিময় অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। নিউজিলেণ্ডত শ্ৰীমতী মুৰ্মুৱে দ্বিপাক্ষিক আলোচনাত মিলিত হব আৰু ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব। তেওঁ লগতে অকলেণ্ডত আয়োজিত এটা সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত প্ৰৱাসী ভাৰতীয় আৰু ভাৰতৰ মিত্ৰসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত টিম'ৰলেষ্টত উপস্থিত হ'ব আৰু দেশখনৰ ৰাজধানী দিলিত দ্বিপাক্ষিক আলোচনাত মিলিত হব আৰু দেশখনত বাস কৰা ভাৰতীয়সকলে আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত ভাগ ল'ব। ৰাষ্ট্ৰপতি মুৰ্মুৰ এই ত্ৰিদেশীয় ভ্ৰমণে ভাৰতৰ এক ইষ্ট নীতিত গতি প্ৰদান কৰিব আৰু দক্ষিণ পূৱ এছিয়া তথা প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপৰ নীতি সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

00000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ছণ্ডীগড়ৰ মণিমাজৰাত সপ্তাহৰ আটাইকেইদিন ২৪ ঘণ্টাই কাৰ্যক্ষম হোৱাকৈ পানী যোগানৰ এটা পাইলট প্ৰকল্প উদ্বোধন কৰে। এই পানী যোগান প্ৰকল্পটোৰ পৰা মনিমাজৰাৰ প্ৰায় এক লাখ লোক উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এই প্ৰকল্পটোৰ বাবে প্ৰায় ৭৫ কোটি টকা ব্যয় কৰা হৈছে আৰু ১২ হাজাৰ লোকক নতুনকৈ পানীৰ সংযোগ দিয়া হৈছে। তেওঁ কয় যে, এই প্ৰকল্পটোৰ জৰিয়তে সপ্তাহৰ আটাইকেইদিন ২৪ ঘণ্টাই পানী লাভ কৰাৰ ফলত জনসাধাৰণে পানীৰ সংৰক্ষণ কমকৈ কৰিব আৰু ইয়াৰ ফলত পানীৰ অপচয় ৰোধ কৰিব পৰা যাব।

গৃহমন্ত্ৰীয়ে লগতে ফৌজদাৰী ন্যায়প্ৰণালী সুদৃঢ় কৰা আৰু ক্ষীপ্ৰতাৰে ন্যায় প্ৰদানৰ উদ্দেশে ই-এভিডেন্স, ন্যায়সেঁতু, ন্যায়শ্ৰুতি আৰু ই-চামন ব্যৱস্থা মুকলি কৰে।

০০০০০০০০

কেৰালাৰ ভূমিস্খলন প্ৰভাৱিত ৱায়নাদত আজি একেৰাহে ৬ দিন ধৰি উদ্ধাৰ অভিযান অব্যাহত আছে। এই ভূমিস্খলনৰ ঘটনাত ৩০০ৰো অধিক লোকে প্ৰাণ হেৰুৱাইছে বুলি আশংকা কৰা হৈছে। এই অভিযানত কালি ৪ টা শৱদেহ উদ্ধাৰ হয়। ইয়াৰে ভিতৰত ৩ টা শৱদেহ নিলাম্বৰৰ চলিয়াৰ নৈৰ পৰা উদ্ধাৰ কৰা হয়। নৈখনিৰ পৰা ১৩ টা ক্ষত বিক্ষত অংগও উদ্ধাৰ কৰা হৈছে। শসস্ত্ৰ বাহিনীসমূহৰ এহেজাৰ ২৬০ গৰাকী কৰ্মীয়ে প্ৰভাৱিত এলেকাসমূহত উদ্ধাৰ আৰু মানৱীয় সাহায্যত ব্ৰতী হৈ আছে। ইপিনে, অঞ্চলটোত বাহৰ পাতি থকা মন্ত্ৰীসভাৰ উপ সমিতিয়ে ডাৰ্ক টুৰিজিম এৰাই চলিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। বিপদসংকুল এলেকাৰ ভ্ৰমণক ডাৰ্ক টুৰিজিম বুলি কোৱা হয়।

ৰাজ্যখনৰ স্বাস্থ্য বিভাগে ক্ষতিগ্ৰস্ত এলেকাসমূহত শিশুসকলৰ মানসিক স্বাস্থ্য সুনিশ্চিত কৰাৰ বাবে ১৩৭ গৰাকী পৰামৰ্শদাতা নিয়োগ কৰিছে। মুন্দক্কই আৰু চুৰলমালাত স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু চালিয়াৰ নদীৰ গাতে লাগি থকা বনাঞ্চল আৰু নৈৰ পাৰত শৱদেহ উদ্ধাৰ কৰাৰ বাবে কৰ্মী নিয়োগ কৰা হৈছে।

০০০০০০০০

বৰ্তমানলৈকে ৪ লাখ ৯০ হাজাৰৰো অধিক তীৰ্থযাত্ৰীয়ে পৱিত্ৰ অমৰনাথ গুহা দৰ্শন কৰিছে। আমাৰ সংবাদদাতাই জনাইছে যে, এহেজাৰ ১১২ গৰাকী তীৰ্থযাত্ৰীৰ ৩৮ সংখ্যক দলটো আজি ভগৱতী নগৰ যাত্ৰী নিৱাস মূল শিবিৰৰ পৰা ৰাওনা হয়। দলটোত ৯১০ গৰাকী পুৰুষ, ১৫৯ গৰাকী মহিলা, ৩১ গৰাকী সাধু আৰু ১২ গৰাকী সাধবী আছে। ইয়াৰ ভিতৰত ২৪০ গৰাকী তীৰ্থযাত্ৰীয়ে বালটল পথেৰে আৰু ৯০৮ গৰাকী যাত্ৰী পেহেলগাম পথেৰে অমৰনাথ গুহা দৰ্শনৰ বাবে গৈছে।

০০০০০০০০

উত্তৰ প্ৰদেশৰ এটোৱা জিলাৰ আগ্ৰা লক্ষ্ণৌ এক্সপ্ৰেছৱেত হোৱা পথ দুৰ্ঘটনাত ৭ জন লোক নিহত হোৱাৰ লগতে ৩৫ জন গুৰুতৰভাৱে আহত হয়। এটোৱা জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে আকাশবাণীক জনোৱা মতে, ৰাইবেৰেলীৰ পৰা দিল্লী অভিমুখী নাগালেণ্ডৰ নম্বৰপ্লেট থকা ডাবল ডেকাৰ বাছখন যোৱা নিশা এক্সপ্ৰেছৱেটোৰ ১২৯ নম্বৰ চেনেলৰ সমীপত আন এখন বাহনৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষৰ পিছতে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ পৰা বাগৰি পৰাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০০০

মধ্যপ্ৰদেশৰ সাগৰ জিলাত আজি পুৰা এটা মন্দিৰৰ বেৰ খহি পৰাৰ ফলত ৯ টি শিশুৰ মৃত্যু হোৱাৰ লগতে আন বহুকেইজন লোক আহত হয়। শ্বাহপুৰৰ হাৰদৌল বাবা মন্দিৰত এটা ধৰ্মীয় অনুষ্ঠান চলি থকাৰ মাজতে এই দুৰ্ঘটনাটো সংঘটিত হয়। আহত শিশুসকলৰ ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মোহন যাদবেও এই ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। তেওঁ লগতে নিহত শিশুসকলৰ পৰিয়াললৈ ৪ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

০০০০০০০০

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাচিনাই আলোচনাৰ প্ৰস্তাৱ দেশখনৰ কোটা সংস্কাৰ আন্দোলনৰ প্ৰতিবাদকাৰীসকলে নাকচ কৰাৰ লগতে প্ৰধানমন্ত্ৰীগৰাকীৰ পদত্যাগৰ দাবী উত্থাপন কৰিছে। নাহেদ ইছলাম, চাৰ্গিছ আলম, তথা আন্দোলনৰ আন মুখ্য সমন্বয়কাৰীসকলে কালি  বিয়লি ঢাকাৰ কেন্দ্ৰীয় ছহিদ মিনাৰত এই কথা ঘোষণা কৰে। তেওঁলোকে লগতে কয় যে, দেশখনত কালিৰে পৰা আৰম্ভ হোৱা অসহযোগ আন্দোলন বলবৎ কৰিব। প্ৰধানমন্ত্ৰী শ্বেখ হাচিনাই কোটা সংস্কাৰ আন্দোলনক কেন্দ্ৰ কৰি সংঘটিত হিংসাত্মক ঘটনাৰ অন্ত পেলাবলৈ আন্দোলনত জড়িত ছাত্ৰ-ছাত্ৰীসকলক গণ ভৱনত তেওঁৰ সৈতে আলোচনাত বহিবলৈ আহ্বান জনোৱাৰ পাছতে প্ৰতিবাদকাৰীসকলে প্ৰধানমন্ত্ৰীৰ পদত্যাগৰ দাবীৰ কথা ঘোষণা কৰিছিল। যোৱা নিশা বাংলাদেশৰ গৃহমন্ত্ৰী আছাদুজ্জমান খানে দেশখনৰ আইন প্ৰৱৰ্তনকাৰী সংস্থাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে হোৱা বৈঠকৰ পিছত সংবাদ মাধ্যমক জনাই যে, ছাত্ৰ আন্দোলনৰ সকলো দাবী ইতিমধ্যে পূৰণ কৰা হৈছে আৰু তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অসহযোগ আন্দোলন নকৰাকৈ ঘৰলৈ উভতি যাবলৈ আহ্বান জনায়। তেওঁ লগতে দেওবাৰৰ পৰা ঢাকা আৰু ওচৰৰ জিলাসমূহত ৰাতিপুৱা ৬ বজাৰ পৰা নিশা ৯ বজালৈকে  কাৰ্ফিউৰ সময় শিথিল কৰাৰ কথাও ঘোষণা কৰে। ইয়াৰ পূৰ্বে কালি বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাচিনাই দেশখনত দেওবাৰৰ পৰা অসহযোগ আন্দোলন ঘোষণা কৰাৰ এদিন পিছতে কোটা সংস্কাৰ আন্দোলনত আটকাধীন সকলো ছাত্ৰ-ছাত্ৰীক মুকলি কৰি দিয়াৰ নিৰ্দেশ দিছিল।

০০০০০০০০

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই দেশজুৰি প্ৰতিবাদকাৰীয়ে চলাই থকা অসহযোগ আন্দোলনৰ মাজতে আজি দেশখনৰ নিৰাপত্তা সম্পৰ্কীয় ৰাষ্ট্ৰীয় সমিতিৰ সৈতে গনভৱনত এখন বৈঠকত মিলিত হয়। বৈঠকত দেশখনৰ মন্ত্ৰী, ৰাজ্যিকমন্ত্ৰী, প্ৰধানমন্ত্ৰীৰ নিৰাপত্তা উপদেষ্টা, সচিব, সেনা, নৌ বাহিনী, বায়ুসেনা, সীমান্ত সুৰক্ষা বাহিনী, উপকূলৰক্ষী বাহিনীৰ মুৰববীসকল উপস্থিত থাকে।

সংৰক্ষণ সংস্কাৰ আন্দোলনৰ নেতৃত্ব দিয়া বৈষম্য বিৰোধী ছাত্ৰ আন্দোলনৰ প্ৰতিবাদকাৰীসকলে শেহতীয়া হত্যাকাণ্ডৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আৰু প্ৰধানমন্ত্ৰী শ্বেইখ হাচিনাৰ পদত্যাগৰ দাবী তুলি দেশজুৰি অহসযোগ আন্দোলন আৰম্ভ কৰে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে।

oooooooo

ভাৰতীয় পুৰুষ হকী দলটোৱে পেৰিছ্ অলিম্পিকৰ কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটেইনক ৪-২ গলত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক জয় কৰা লাভলীনা বৰগোঁহাই পেৰিছ অলিম্পিকৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত চীনৰ লী কিয়ানৰ হাতত কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হয়।

ইফালে, পুৰুষৰ বেডমিণ্টনৰ ছিংগলছৰ ছেমি ফাইনেলত ভাৰতৰ লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত পৰাজয় বৰণ কৰে। সেনে কাইলৈ মালয়েছিয়াৰ লী জি জিয়াৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব।

oooooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া একদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আজি শ্ৰীলংকাই ভাৰতক জয়ৰ বাবে ২৪১ ৰাণৰ বিজয়লক্ষ্য বান্ধি দিছে। কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪০ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে এই বাতৰি লিখাৰ পৰলৈকে ৬ অভাৰত এটাও উইকেট নেহেৰুওৱাই ৩৮ ৰান কৰি খেলি আছে। শৃংখলাৰ প্ৰথমখন খেল ৰোমাঞ্চকৰভাৱে ড্ৰ' হোৱাৰ পাছত দুয়োটা দলেই আজিৰ খেলখনত জয়ী হোৱাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে।

oooooooo

সমাপ্ত